# অসম চৰকাৰ

## ধুবুৰী জিলা উপায়ুক্তৰ কাৰ্য্যালয় ::: ধুবুৰী

### (ৰাজহ (মীন) শাখা)

ইয়াৰ দ্বাৰা সৰ্ব্ব সাধাৰণ ৰাইজক জনোৱা যায় যে, ধুবুৰী জিলাৰ অৱস্থিত চৰকাৰী পঞ্জীয়নভুক্ত গ্ৰুপ নং ১০/৯৬ ভামনী মীন মহলটো যোৱা ১৩/০১/২০১৬ ৰ পৰা ১২/০১/২০২৩ তাৰিখলৈ ৭ বছৰৰ ৰাজহ ৭২,৪৫২/- (বাহাত্তৰ হাজাৰ চাৰিশ বাহান্ন) টকা হাৰত পত্তন দিয়া হৈছিল। এই পত্তনৰ ম্যাদ উকলি যোৱাৰ পিছত পুনৰ ২০২৩-২০৩০ চনলৈ ৭ বছৰৰ বাবে নিবিদা যোগে পত্তন দিয়াৰ বাবে নিবিদা আহ্বান কৰা হ'ল। নিবিদাৰ বাবে নিৰ্দিষ্ট প্ৰ-পত্ৰ এই কাৰ্য্যালয়ৰ মীন শাখাত পাব। চৰকাৰৰ বৰ্ত্তমান নিয়মাৱলী অনুযায়ী মীন মহলৰ বছৰি নুন্যতম ৰাজহ ৮৩,৬৪০/-( তিৰাষি হাজাৰ ছশ চল্লিছ) টকা ধাৰ্য্য কৰা হৈছে।

এই নিবিদা সমূহ উপায়ুক্তৰ কাৰ্য্যালয়ৰ অতিৰিক্ত উপায়ুক্তৰ কাৰ্য্যালয় কক্ষত 22nd Feb/23 তাৰিখৰ দিনৰ ২ বজালৈ গ্ৰহণ কৰা হব আৰু উক্ত তাৰিখৰ দিনৰ ৩ বজাত নিবিদা সমূহ খোলা হ'ব। মীন মহল পত্তনৰ চৰ সমূহ তলত উল্লেখ কৰা হ'ল।

১) মাছমৰীয়া লোকৰ দ্বাৰা গঠিত সমবায় / আত্ম সহায়ক গোট / এন.জি.ও. আদিক যোগ্যতাৰ ভিত্তিত নিবিদা যোগে নিৰ্দ্ধাৰিত কৰি ৬০ শতাংশ শ্ৰেণীভুক্ত মীনমহল সমূহ ৭ বছৰৰ বাবে পত্তন দিয়া হ'ব।

২) এশ শতাংশ অনুসূচীত জাতি বা বৰাক উপত্যকাৰ মাইমল সম্প্ৰদায়ৰ প্ৰকৃত মাছমৰীয়া লোকেৰে গঠিত সমবায় সমিতি আৰু বৰাক উপত্যকাৰ মাইমল, সম্প্ৰদায়ৰ প্ৰকৃত মাছমৰীয়ালোক নতুবা অনুসূচীত জাতিৰ বৃত্তিত মাছমৰীয়ালোক, আত্ম সহায়ক গোট, এন.জি.ও. আৰু মীন পালকে নিবিদা দিব পাৰিব। নিবিদাকাৰী সংশ্লিষ্ট জিলাৰ আৰু মীনমহলখনৰ ওচৰ-চুবুৰীয়া হ'ব লাগিব।

৩) নিবিদা, জিলা উপায়ুক্ত / মহকুমাধিপতিৰ কাৰ্যালয়তহে নিৰ্দিষ্ট স্থান আৰু তাৰিখত গ্ৰহণ কৰা হ'ব।

৪) ইচ্ছুক নিবিদাকাৰীয়ে ....22nd Feb....তাৰিখৰ দিনৰ ২-০০ (দুই) বজালৈ কাৰ্য্যালয় খোলা থকা সময়ত নিৰ্দ্ধাৰিত নিবিদা বাকচত নিবিদা জমা দিব পাৰিব। নিৰ্দ্ধাৰিত সময়ৰ পিছত কোনো নিবিদা গ্ৰহণ কৰা নহব। নিবিদা নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত প্ৰয়োজনীয় তথ্যপাতিসহ পূৰ্ণ কৰি নিবিদাসহ তলত উল্লেখ কৰা প্ৰমাণ পত্ৰ সমূহ সংলগ্ন কৰি জমা দিব লাগিব।

ক) মাছ ধৰাৰ অভিজ্ঞতাৰ প্ৰমাণ পত্ৰ। (জিলা মীন উন্নয়ন বিষয়াৰ পৰা সকলো সদস্যৰ বৃত্তিৰ ভিত্তিত অভিজ্ঞতাৰ প্ৰমাণ পত্ৰ গ্ৰহণ কৰিব লাগিব।

খ) জিলা উপায়ুক্তৰ পৰা বাকীজাই মুক্ত প্ৰমাণ পত্ৰ। (উপায়ুক্ত কাৰ্য্যালয়ৰ সংশ্লিষ্ট বিষয়াৰ পৰা স্পষ্টকৈ সমিতি বা গোটৰ নামত প্ৰমাণ পত্ৰ লব লাগিব।)

গ) অনুসূচীত জাতি / মাইমল সম্প্ৰদায়ৰ লোক হোৱাৰ প্ৰমাণ পত্ৰ আৰু বৃত্তিত ১০০% প্ৰকৃত মাছমৰীয়ালোক হোৱাৰ প্ৰমাণ পত্ৰ। (সমবায় সমিতি / আত্ম সহায়ক গোটে প্ৰমাণ পত্ৰ সংশ্লিষ্ট জিলাৰ সমবায় সমিতিৰ সহকাৰী পঞ্জিয়ক বিষয়াৰ পৰা গ্ৰহণ কৰি দাখিল কৰিব লাগিব)

ঘ) ১০.০০ (দহ) টকাৰ ভাৰতীয় পোষ্টেল অৰ্ডাৰ / বেংকাৰচ চেক / বেংক ড্ৰাফ্ট

ঙ) চৰকাৰৰ প্ৰথম বৰ্ষৰ নূন্যতম ধাৰ্য্যৰ মূল্যৰ ১৫ শতাংশ ৰাজহ আমানত ধন হিচাবে কল ডিপোজিট আকাৰত স্পষ্টকৈ উপায়ুক্ত / মহকুমাধিপতিৰ নামৰ লগতে নিবিদাকাৰীৰ সমবায় সমিতি / আত্ম সহায়ক গোটৰ নাম উল্লেখ মৰ্ম্মে জমা দিব লাগিব।

চ) সমবায় সমিতি / গোটৰ পঞ্জীয়নৰ প্ৰমাণ পত্ৰ। (আত্ম সহায়ক গোট হলে Up to date হিচাপে)দাখিল কৰিব লাগিব)

ছ) সমিতি / গোটৰ নামত PAN Card নিবিদাৰ লগত জমা দিব লাগিব।

জ) সমিতি আদিৰ হকে নিবিদা দিয়াৰ কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তিৰ প্ৰত্যায়িত ফটো গাঠি দিব।

ঝ) সমবায় সমিতি / গোটৰ বছৰেকীয়া Balance Sheet আৰু লাভ লোকচানৰ হিচাপ কপি চলিত বছৰবলৈ ৩ (তিনি) বৃত্তিয় বছৰৰ জমা দিব লাগিব। (সংশ্লিষ্ট কৰ্তৃপক্ষৰ হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষণীয় Balance Sheet প্ৰযোজ্য হব)

ঞ) সমিতি / গোটৰ সদস্য বৃন্দৰ নাম, বয়স ও সঠিক ঠিকানাৰ তালিকা।

(ট) সংশ্লিষ্ট মীন মহলৰ পৰা সঠিক দুৰত্বৰ প্ৰমাণ পত্ৰ সমবায় সমিতি / আত্ম সহায়ক গোটে সিইঁতৰ নিবাসী প্ৰতিটো গাওঁৰ সংশ্লিষ্ট ৰাজহ চক্ৰৰ পৰা মীন মহলৰ সঠিক দুৰত্বৰ প্ৰমাণ পত্ৰ গ্ৰহণ কৰি দাখিল কৰিব লাগিব।

(এঞ আৰু ট যথা সময়ত উপায়ুক্তই সংশ্লিষ্ট বিষয়াৰ দ্বাৰা তদন্ত কৰিব )।

৫) মোহৰযুক্ত বন্ধ খামৰ ওপৰত অনুজ্ঞাপত্ৰ পাব বিচৰা মীনমহলৰ নাম উল্লেখ কৰিব লাগিব আৰু নিম্ন স্বাক্ষৰকাৰীৰ কাৰ্য্যালয়ত নিৰ্দ্ধাৰিত বাকচত নিবিদা জমা দিব লাগিব।

৬) নিবিদা সমূহ নিবিদাকাৰী নতুবা তেওঁলোকৰ প্ৰতিনিধিৰ উপস্থিতিত নিবিদা গ্ৰহণ কৰাৰ সময় উকলি যোৱাৰ পিচত উক্ত দিনাই খোলা হ'ব।

৭) নিৰ্ব্বাচিত নিবিদাকাৰীয়ে প্ৰথম বছৰৰ নিৰ্দ্ধাৰিত মূল ৰাজহৰ ৫০ শতাংশ ৰাজহ প্ৰথম কিস্তিৰ ৰাজহ হিচাবে প্ৰস্তাৱ আগবঢ়োৱাৰ দহ দিনৰ ভিতৰত আদায় দিব লাগিব। অন্যথা প্ৰস্তাব বাতিল হোৱা বুলি গণ্য হ'ব আৰু পিচত উপায়ুক্ত নিবিদাকাৰীলৈ প্ৰস্তাৱ দিয়া হব। তদুপৰি আমানত ধন বাজেয়াপ্ত হ'ব।

৮) বাৰ্ষিক ৰাজহৰ তলত দিয়াৰ দৰে কিস্তিত আদায় দিব লাগিব।

ক) ২য় কিস্তি বছৰি ৰাজহৰ ২৫ শতাংশ বন্দোবস্তী (দখল চমজাই) লোৱাৰ ৬ মাহৰ ভিতৰত।

খ) ৩য় কিস্তি বছৰি ৰাজহৰ ২৫ শতাংশ বন্দোবস্তী (দখল চমজাই) লোৱাৰ ৯ মাহৰ ভিতৰত।

৯) নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত ৰাজহৰ কিস্তি আদায় দিব নোৱাৰিলে নিৰ্দ্ধাৰিত নিবিদাকাৰীৰ দায়িত্ব আৰু দায়বদ্ধতাত অনুজ্ঞাপত্ৰ বাতিল হব আৰু নিৰ্ব্বাচিত নিবিদাকাৰীৰ আমানত ধন বাজেয়াপ্ত কৰা হ'ব। অথবা চৰকাৰে ইচ্ছা কৰিলে সেই নিবিদা বাতিল নকৰি বিলম্বৰ বাবে অতি বেছি এমাহৰ বাবে সময় দি বছৰি ২৫ শতাংশ জৰিমনা আৰোপ কৰাৰ অধিকাৰ থাকিব। দীৰ্ঘম্যাদী মীনমহলৰ বিপৰীতে জমা থকা আমানত ধন মীনমহল অপৰিষ্কাৰ কৰি ৰাখিলে বাজেয়াপ্ত মীনমহল পৰিস্কাৰ কৰাৰ কামত চৰকাৰে ব্যৱহাৰ কৰিব পাৰিব।

১০) মীনমহলৰ পৰা ধৃত মাচৰ কিছু অংশ চৰকাৰৰ দ্বাৰা অনুমোদিত এজেন্টৰ ওচৰত অথবা নিৰ্দ্ধাবিত স্থানত সময়ে সময়ে দিয়া নিৰ্দেশমতে বিক্ৰি কৰিবলৈ মহলদাৰ বাধ্য থাকিব।

১১) অনুজ্ঞাপ্ৰাপ্তীয়ে মীনমহলৰ মথাউৰি আৰু কোনো ক্ষতি কৰিব নোৱাৰিব নতুবা কোনো নতুন মথাউৰি বান্ধিব নোৱাৰিব নতুবা কোনো নতুন মথাউৰি বান্ধিব নোৱাৰিব বা নলা খাৱৈ বনাব নোৱাৰিব বা বিলৰ পৰা চৰকাৰৰ অনুমতি নোলোৱাকৈ ওখ কৰিব নোৱাৰিব। নতুবা কোনো ডিনেমাইটৰ প্ৰয়োগ কৰি বা কোনো বিয়া পদাৰ্থৰে মাছ ধৰাৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব আৰু মীনমহলৰ পৰা পানী সিঁচি বা মাছ ধৰাৰ বাবে কোনো পানী মেটেকা উদ্ভিদ ব্যৱহাৰ কৰিব নোৱাৰিব নতুবা মীনমহলৰ ক্ষতি সাধন কৰিব পৰা কোনো কাৰ্য্য কৰিব নোৱাৰিব। মীন মহলত হোৱা (মোখনা) জাতীয় কোনো উদ্ভিদৰ ওপৰত অনুক্ষাপ্ৰাপ্তী, নাথাকিব আৰু মীনমহলত হোৱা এনে জাতীয় উদ্ভিদ বিক্ৰি কৰা বা উঠোৱাৰ ব্যৱস্থা লোৱাৰ চৰকাৰৰ থাকিব। মীনমহল খনৰ দৈনিক ৰক্ষণাবেক্ষণ, পৰিচাৰ্য্য কৰাৰ দায়িত্ব অনুজ্ঞাপ্ৰাপ্তীৰ হাতত থাকিব আৰু সেইমতে কৰিব লাগিব।

১২) মীনমহলত জৰীপ, বহী আৰু অন্যান্য যন্ত্ৰপাতি পৰীক্ষা কৰি প্ৰয়োজনবোধে মীন বিভাগৰ বিষয়াই জব্দ কৰিব পাৰিব। এই ক্ষেত্ৰত কিবা অনিয়ম ধৰা পৰিলে ৫০০.০০ (পাঁচশ) টকা বা চৰকাৰে সময়ে সময়ে ধাৰ্য্য কৰা মতে জৰিমনা বিহিব পাৰিব। এই ক্ষেত্ৰত অনুজ্ঞাপ্ৰাপ্তীয়ে চৰকাৰক সকলো ধৰণৰ সহায় সহযোগিতা আৱশ্যক অনুযায়ী আগবঢ়াবলৈ বাধ্য থাকিব। এই সময়ত অনুজ্ঞাপ্ৰাপ্তীয়ে মীনমহলৰ উন্নয়নমূলক কাম কাজ চৰকাৰৰ অনুমতি সাপেক্ষে কৰিব পাৰিব।

১৩) অনুজ্ঞাপ্ৰাপ্তীয়ে বাৰ্ষিক আয়ৰ ১৫ শতাংশ ধন চৰকাৰৰ অনুমোদনৰ সাপেক্ষে গুণগত মাছপোনা প্ৰতিপালনকে ধৰি বিলৰ অন্যান্য উন্নয়মূলক হব। অনুজ্ঞাপ্ৰাপ্তীয়ে হাঁহ-কুকুৰা, ছাগলী আদি নিজস্ব ওপৰঞ্জি আয় বৃদ্ধি আৰু আদৰ্শগত মীন পালনৰ বাবে কৰিব লাগিব।

১৪) প্ৰাকৃতিক দুৰ্যোগ, খৰাং বতৰ, বানাপানী নতুবা মাছৰ বেমাৰ বা বলপূৰ্ব্বক ভাবে অন্যলোকৰ মাছধৰা, চুৰি হোৱা, বিষক্ৰিয়াৰ দৰে দূৰ্ঘটনাজনিত কোনো কাৰণত ৰাজহ দিব নোৱাৰাৰ আবেদন চৰকাৰে বিবেচনা নকৰিব।

১৫) অনুজ্ঞাপ্ৰাপ্তীয়ে মাছ মৰা কাৰ্য্যত চৰকাৰৰ নীতি অনুসৰি অনুসূচীত জাতিৰ প্ৰকৃত মাছমৰীয়া / মাইমল সম্প্ৰদায়ৰ প্ৰকৃত মাছমৰীয়া নিয়োগ কৰিব লাগিব আৰু মাছমৰীয়ালোকৰ তালিকা চৰকাৰৰ ওচৰত লিখিতভাবে জনাব লাগিব।

১৬) অনুজ্ঞাপ্ৰাপ্তীয়ে প্ৰথম বছৰৰ ৰাজহৰ ৰপ্ত শতাংশ ক'ল ডিপোজিট যোগে নিবিদাসহ আমানত ধন হিচাবে জমা দিব লাগিব আৰু উক্ত আমানত ধন পিচত মোকলাই দিয়া হব যদিহে চুক্তিৰ সকলো চৰ্তাৱলী পালন কৰে। এবছৰতকৈ অধিক সময়ৰ বাবে অনুজ্ঞাপত্ৰ পোৱা নিবিদাকাৰীৰ আমানত ধন দ্বিতীয় বছৰৰ আমানত বলি গণ্য কৰা হ'ব। যদিহে দ্বিতীয় বছৰৰ বাবে মীনমহলখন চলোৱাৰ অনুজ্ঞাপত্ৰ পোৱাৰ বাবে নিৰ্বাচিত হয়। দ্বিতীয় বছৰৰ বাবে ধাৰ্যিত নূন্যতম ৰাজহৰ ভিত্তিত যদি শতকৰা ১৫ ভাগ হাবে অতিৰিক্ত আমানত ধন প্ৰয়োজন হয় তেতিয়া অতিৰিক্ত আমানত ধন প্ৰয়োজন হয় তেতিয়া "অতিৰিক্ত আমানত ধন খিনি প্ৰতি বছৰৰ মাৰ্চ মাহৰ ১৫ তাৰিখৰ আগতে ওপৰত উল্লেখ কৰা ধৰণে ক'ল ডিপোজিট হিচাবে জমা দিব লাগিব। অন্যতা পৰবৰ্ত্তী বছৰৰ বাবে অনুজ্ঞাপত্ৰ বিবেচনা কৰা নহব। আমানত ধন কোনো কাৰণতেই ৰাজহৰ কিস্তিৰ লগত সংযোজন কৰা নহব। এই ধন মীনমহলৰ ঠিকমতে পৰিচালনাৰ প্ৰমাণ সাব্যস্ত নহলে বাজেয়াপ্ত হব।

১৭) অনুজ্ঞাপ্ৰাপ্তীয়ে চুক্তিৰ কোনো চৰ্ত্ত উলংঘা কৰিলে চৰকাৰক জমা দিয়া আমানত ধন বাজেয়াপ্ত হব তথা পৰবৰ্ত্তী বছৰৰ বাবে অনুজ্ঞাপত্ৰ দিয়া নহব। অকৃতকাৰ্য্য নিবিদাকাৰীক, আমানত ধন নিবিদা চূড়ান্ত হৈ যোৱাৰ পিছত ঘূৰাই দিয়া হব। দীৰ্ঘম্যাদী মীনমহলৰ বিপৰীতে জমা আমানতৰ ধন মীন মহল অপৰিস্কাৰ কৰি ৰাখিলে বাজেয়াপ্ত কৰি মীন মহল পৰিস্কাৰ কৰা কামত চৰকাৰে ব্যৱহাৰ কৰিব পাৰিব আৰু ইয়াৰ বাবে চৰকাৰে অনুজ্ঞাপ্ৰাপ্তীয়ে অনুজ্ঞাপত্ৰ বাতিল কৰাৰ অধিকাৰ থাকিব। মীনমহলৰ পানী কালি, মেটেকাআদি জলজ উদ্ভিদৰ পৰা পৰিষ্কাৰ কৰা সাপেক্ষেহে পৰবৰ্ত্তী বছৰত পৰ্টুন নবীকৰণ কৰা হ'ব।

১৮) অনুজ্ঞাপ্ৰাপ্তীয়ে মীনমহলৰ ঘৰ, গছ-গছনি, দমকল আদি সম্পত্তিৰ ওপৰত কোনো ধৰণৰ অধিকাৰ দাবি কৰিব নোৱাৰিব।

১৯) অনুজ্ঞাপ্ৰাপ্তীয়ে আৰু চৰকাৰৰ মাজত বা অনুজ্ঞাপ্ৰাপ্তী আৰু কোনো তৃতীয় পক্ষৰ মাজত কোনো বিবাদ বা বাদী উত্থাপন হলে বিষয়টো নিষ্পত্তিৰ বাবে বিভাগৰ সঞ্চালকৰ সিদ্ধান্তৰ বাবে আবেদন কৰিব পাৰিব। সঞ্চালকৰ সিদ্ধান্তৰ ওপৰত সন্তুষ্ট নহলে, বিভাগীয় আয়ুক্ত / সচিবৰ বিবেচনাৰ বাবে আবেদন জনাব পাৰিব। এই ক্ষেত্ৰত আয়ুক্ত / সচিব সিদ্ধান্ত চূড়ান্ত হ'ব।

২০) অনুজ্ঞাপত্ৰৰ ম্যাদৰ সময়হোৱাৰ ভিতৰত চৰকাৰে মীন মহলৰ উন্নয়ন কৰাৰ অধিকাৰ থাকিব আৰু ইয়াৰ বাবে অনুজ্ঞাপ্ৰাপ্তীয়ে ৰাজহ ৰেহাইৰ দাবী / অধিকাৰ নাথাকিব আৰু উক্ত কামত বাধা দিব নোৱাৰিব।

২১) অনুজ্ঞাপ্ৰাপ্তীয়ে মীন মহলৰ মৎস্য উৎপাদন বৃদ্ধিৰ বাবে লোৱা ব্যৱস্থা আৰু লগতে মীন মহলখনত দৃত মাছৰ আয় উৎপাদনৰ হিচাপে প্ৰতিমাহে লিখিতভাবে চৰকাৰক জনাই থাকিব লাগিব।

২২) নিৰ্বাচিত নিবিদাকাৰীয়ে মীন মহল চলোৱাত অনুজ্ঞাপত্ৰ লোৱাৰ আগে আগে চৰকাৰৰ লগত হব লাগিব। প্ৰতি বছৰে বেলেগ চুক্তিবদ্ধ হব লাগিব।

২৩) চৰকাৰে কোনো কাৰণ নিৰ্দ্দেৰাকৈ যি কোনো নিবিদা গ্ৰহণ বা প্ৰত্যাহাৰ কৰাৰ অধিকাৰ থাকিব আৰু চৰকাৰৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হব।

২৪) অনুজ্ঞাপ্ৰাপ্তীয়ে কোনো বছৰৰ কাৰ্য্যপন্থা চুক্তিমতে সন্তোষ্টিজনক নহলে পৰবৰ্ত্তী বছৰৰ বাবে অনুজ্ঞাপত্ৰ দিয়া নহব আৰু চৰকাৰে উচিত বিবেচনা কৰা যিকোনো ব্যৱস্থা লব পাৰিব।

২৫) অনুজ্ঞাপ্ৰাপ্তীয়ে মীনমহলত উন্নত প্ৰণালীৰে মাছ পোহাৰ ব্যৱস্থা কৰাটো বাধ্যতামূলক হব আৰু এই চৰ্চ্চ ভঙ্গ কৰিলে চুক্তি ভঙ্গ কৰাটোহে সূচাব।

২৬) মুখ্য প্ৰজাতিৰ কাৰ্প মাছৰ হুমুখী উৎপাদনৰ উদ্দেশ্য জিলা মীন উন্নয়ন বিষয়াই নিৰ্দ্ধাৰণ কৰি দিয়া সংখ্যা আৰু অনুপাতিক হিচাবে বছৰত দুটাকৈ (আগষ্ট আৰু জানুৱাৰী মাহত) ১২৫ মিঃ মিঃ ৰ ওপৰত পোনা মীনমহলত মেলিব লাগিব।

২৭) মাছৰ প্ৰজাতিৰ সংৰক্ষণৰ বাবে মীনমহল, পানী কালিৰ এক শতাংশ সংৰক্ষণ কৰিব লাগিব আৰু এই অংশত কোনো পৰিস্থিতিতেই বিলুপ্ত প্ৰায় প্ৰজাতিৰ মাছ মৰাকে ধৰি কোনো ধৰণৰ কাৰ্য্য সম্পাদন কৰিব নোৱাৰিব।

২৮) নিবিদাত প্ৰস্তাৱ কৰা বিভিন্ন বছৰৰ ৰাজহৰ অনুপাতিক সামঞ্জস্য থাকিব লাগিব আৰু কোনো অসামঞ্জস্য ধৰণেৰে ৰাজহ প্ৰস্তাৱ কৰিলে চৰকাৰে নিবিদাকাৰীয়ে আগবঢ়োৱা সমুদায় ৰাজহৰ গড়ভিত্তিক বাৰ্ষিক ৰাজহ নিৰ্দ্ধাৰণ কৰি প্ৰস্তাৱ দিয়াৰ অধিকাৰ থাকিব ।

২৯) অনুজ্ঞাপ্ৰাপ্তীয়ে নিয়োজিত মাছমৰীয়াৰ সামাজিক নিৰাপত্তাৰ বাবে বীমা কৰাটো বাধ্যতামূলক হব ।

৩০) অনুজ্ঞাপ্ৰাপ্তীয়ে কোনো ক্ষেত্ৰতেই মাছমৰীয়াক মুঠ ৫০ শতাংশ আয়ৰ কম দিব নোৱাৰিব।

৩১) মাছ মৰাৰ ক্ষেত্ৰত বৃত্তিত মাছমৰীয়া স্থানীয় লোকক নিয়োগ কৰিব লাগিব। বাহিৰৰ লোকক নিয়োগ কৰিব নোৱাৰিব ।

৩২) অনুজ্ঞাপ্ৰাপ্তীয়ে কিস্তিৰ ৰাজহ নিৰ্দ্ধাৰিত সময়ত আদায় নিদিলে চৰকাৰে Bengal Recovery Act অধীনত বাকী ৰাজহ আদায় কৰাৰ ব্যৱস্থা লব পাৰিব। তদুপৰি, বাকী ৰাজহ আদায়ৰ বাবে চৰকাৰে উচিত বিবেচনা কৰা যি কোনো আইনগত ব্যবস্থা লোৱাৰ অধিকাৰ থাকিব ।

৩৩) অনুজ্ঞাপ্ৰাপ্তীয়ে মীন মহল পৰিচালন কৰি থকা সময়ছোৱাত মীন মহল খন যদি চৰকাৰে উন্নয়ন কৰে তেতিয়া উন্নয়ন সম্পূৰ্ণ কৰাৰ তৃতীয় বছৰৰ পৰা বৈজ্ঞানিক ভিত্তিত মৎস পালন কৰিব পৰা মীনমহলৰ অংশৰ পৰা প্ৰতি হেক্টৰত ৫০০ কেজি আৰু মীনমহলৰ বাকী অংশৰ প্ৰতি হেক্টৰত ২০০ কেজি উৎপাদনৰ হাৰ ধৰি লৈ সেই সময়ত মীনমহলৰ পাৰৰ ওপৰত ভিত্তি কৰি সেই বছৰৰ ৰাজহ নিৰ্দ্ধাৰণ কৰাৰ লগতে পৰৱৰ্ত্তী বছৰৰ শতকৰা ১০ ভাগ চক্ৰবৃদ্ধি হাৰত ৰাজহ বৃদ্ধি কৰা হয় আৰু অনুজ্ঞাপ্ৰাপ্তীয়ে উক্ত ধৰণে নিৰ্দ্ধাৰণ কৰা ৰাজহ দিবলৈ বাধ্য থাকিব লাগিব। অন্যথায় চৰকাৰে অনুজ্ঞাপত্ৰ বাতিল কৰি বিকল্প ব্যৱস্থা লোৱাৰ অধিকাৰ থাকিব ।

উপায়ুক্ত, ধুবুৰী

মেমো নং-ডি.আৰ.এফ-.২৮/২০১৩/৮৬ (ক) তাৰিখ: ১৬/2 /২০২৩.

ইয়াৰ প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বহুল প্ৰচাৰৰ বাবেঃ

১) আয়ুক্ত সচিব, অসম চৰকাৰ, মীন বিভাগ, দিছপুৰ, গুৱাহাটী-৬
২) আয়ুক্ত, নামনি অসম, গুৱাহাটী-১
৩) মুখ্য কাৰ্য্যবাহী বিষয়া, জিলা পৰিষদ, ধুবুৰী
৪) ধুবুৰী জিলাৰ সহকাৰী বন্দবস্তী প্ৰাধিকাৰী / চক্ৰ বিষয়া
৫) ধুবুৰী মহকুমাৰ সকলো খণ্ড উন্নয়ন বিষয়া । সম্পৰ্কিত সকলো গাওঁ পঞ্চায়তত বহুল প্ৰচাৰৰ বাবে ।
৬) পঞ্জীয়ক / সহকাৰী পঞ্জিয়ক সমবায় সমিতি, ধুবুৰী / বিলাসীপাৰা ।
৭) জিলা মীন উন্নয়ন বিষয়া, ধুবুৰী ।
৮) জিলা তথ্য আৰু জনসংযোগ বিষয়ালৈ বহুল প্ৰচাৰৰ বাবে ।
৯) ডি.আই.ও., এন.আই.চি, ধুবুৰী। উক্ত NIT খন জিলা website ত upload দিবলৈ অনুৰোধ কৰা হল।
১০) ভাৰপ্ৰাপ্ত বিষয়া,..............................................থানা
১১) সম্পাদক, অধিবক্তা সন্থা, ধুবুৰী
১২) ধুবুৰী জিলাৰ সকলো মীনমহলৰ ইজাৰাদাৰ সকলোলৈ
১৩) নোটিশ বোৰ্ড, ধুবুৰী উপায়ুক্তৰ কাৰ্য্যালয়, ধুবুৰী

উপায়ুক্ত, ধুবুৰী